**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-04-2025 **Time :** 0755Hrs.

## <u>Assamese Morning Bulletin</u>

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাকত নিৰ্বাচনী প্ৰচাৰ চলাব। ড° শৰ্মাই দুপৰীয়াৰ ভাগত কাছাৰ জিলাত উধাৰবন্দৰ হাতীচৰা চাহ বাগিচাত এখন জনসভাত অংশ ল'ব। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি ডিব্ৰুগড়ত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত কালি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰী সোণোৱালে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সৱলীকৰণৰ লক্ষ্যৰে পঞ্চায়ত নিৰ্বাচনত সঠিক সিদ্ধান্ত ল'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কৰ্মীৰ সৈতে এখন বিশেষ সাংগঠনিক সভাত মিলিত হয়।

শ্ৰী সোণোৱালে কালি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰত আন এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি মিত্ৰজোঁটৰ দ্বৈত ইঞ্জিন চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহে সকলো স্তৰৰ জনসাধাৰণৰ উপকৃত কৰি গ্ৰামাঞ্চলত নতুন দিগন্তৰ সূচনা কৰিছে। আৰু আত্মনিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ ডিব্ৰুগড়ৰ গজপুৰিয়াতো নিৰ্বাচনী সভাত ভাগ লয়।

ইপিনে, পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰথম পৰ্যায়ত অহা ২ মে'ত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে মাজুলী জিলাৰ ৪ খন জিলা পৰিষদ আৰু ২০ খন গাঁও পঞ্চায়তত ২১৩ টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে, ২২ টা কেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনাৰ বাবে কালি ৰঙাচাই মহাবিদ্যালয়ত ২১০ গৰাকী প্ৰিজাইডিং বিষয়া, প্ৰথম, দ্বিতীয় আৰু প'লিং বিষয়াক দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়।

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে নিয়মীয়াকৈ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰি নিৰ্বাচনৰ বাবে যাৱতীয় ব্যৱস্থা নিশ্চিত কৰিছে। জিলাখনত স্থাপন কৰা ৭৭৪টা ভোট কেন্দ্ৰৰ ভিতৰত ১০টা মডেল ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব বুলি জিলাখনৰ জনসংযোগ বিষয়াই প্ৰকাশ কৰিছে।

0000000

কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই কালি সন্ধিয়া ডিব্ৰুগড়ত পূৰ্বাঞ্চল অসম বাণিজ্য আৰু উদ্যোগ সংস্থাই এটা শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত কৰে। সংস্থাৰ সদস্যসকলকে ধৰি অন্যান্য লোকে মমবাতি জ্বলাই নিহতসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰে। ডিব্ৰুগড়ৰ থানা চাৰিআলিত আয়োজিত এই শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অংশ লোৱা জনসাধাৰণে চৰকাৰে এইক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি চৰকাৰে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলি আশা প্ৰকাশ কৰে।

তিনিচুকীয়া জিলাতো বাৰেকুৰি সাহিত্য সভাৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০০

তিনিচুকীয়া জিলাৰ কাকপথাৰত আজি ৰাতি বিহুৰ আয়োজন কৰা হৈছে। অতীজৰেপৰা মৰাণ বিহুৰ অবিচেচদ্য অংগ ৰাতি বিহু পৰম্পৰাগত ৰীতিৰে পালন কৰি অহা হৈছে। জিলাখনৰ ঠায়ে ঠায়ে গছতলৰ বিহুও অনুষ্ঠিত হৈছে। আজি ৰাতি বিহুৰ অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থকাৰ কথা।

০০০০০০০

ডিব্ৰুগড় জিলাৰ লক্ষ্মী নগৰত কালি নিশা হোৱা এটা অগ্নিকাণ্ডৰ ঘটনাত ৬ টা ঘৰ সম্পূৰ্ণৰূপে জাহ যায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বাসগৃহৰ সমীপৰ এটা পথত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও বিদ্যুৎৰ চৰ্ট ছাৰ্কিটৰ ফলতেই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। এই ঘটনাত বহু টকাৰ সা-সম্পত্তি ধ্বংস হয় যদিও কোনো লোক হতাহত হোৱা নাই।

০০০০০০০

**সমাপ্ত**